জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৬৬/২০২০

# প্ৰসিদ্ধ গীতিকাৰ, সুৰকাৰ তথা লোকসংগীতৰ সাধক মন্মথ বৈশ্যৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৫ আগষ্ট ঃ** প্ৰসিদ্ধ গীতিকাৰ, সুৰকাৰ তথা লোকসংগীতৰ সাধক মন্মথ বৈশ্যৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত মন্মথ বৈশ্যই আমাৰ সাংস্কৃতিক জগতলৈ যি অৰিহণা যোগাই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। লোক সংস্কৃতিৰ সাধক, বিশিষ্ট গীতিকাৰ আৰু সুৰকাৰ, সংগীত পৰিচালকগৰাকীয়ে বহুতো চিৰযুগমীয়া গীত সৃষ্টিৰ জৰিয়তে আমাৰ সংস্কৃতিৰ পথাৰখন চহকী কৰি থৈ গৈছে। এইগৰাকী বিশিষ্ট সংগীতজ্ঞৰ বিয়োগ ৰাজ্যখনৰ সাংস্কৃতিক তথা সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত মন্মথ বৈশ্যৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে বিশিষ্ট সংগীতজ্ঞ মন্মথ বৈশ্যৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে। এইগৰাকী বিশিষ্ট সংগীত শিল্পীৰ বিয়োগে ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰত এক গভীৰ শূন্যতাৰ সৃষ্টি কৰিলে বুলি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে কয়। তেওঁ প্ৰয়াত মন্মথ বৈশ্যৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / প্ৰঃকুঃবঃ**
**২৫/০৮/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in